# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 8-06-2024

**Time :** 1340 Hrs.

## ***Assamese Midday Bulletin***

## **Headlines**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তদৰ্থ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কেন্দ্ৰত এখন নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ভৱনত কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

২। চি বি আয়ে প্ৰাক্তন ৰে'ল মন্ত্ৰী লালু প্ৰসাদ যাদৱ আৰু তেওঁৰ পৰিয়ালৰ লোকসকল জড়িত থকা বহু চৰ্চিত ভূমিৰ বিনিময়ত চাকৰি কেলেংকাৰীৰ চূড়ান্ত অভিযোগনামা আদালতত দাখিল কৰিছে।

৩। নতুন দিল্লীত কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক চলি আছে।

৪। ওড়িশাত সোমবাৰে বিজেপিৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ কৰিব আৰু ইয়াৰ বাবে প্ৰস্তুতি চলি আছে।

*আৰু*

৫। আন্তঃৰাষ্ট্ৰীয় যোগা দিৱস ২০২৪ উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ে যোগ সাধনৰ ইতিবাচক দিশ সম্পৰ্কে ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে কেতবোৰ বিশেষ কাৰ্যসূচীৰ প্ৰস্তুতি চলাইছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তদৰ্থ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কেন্দ্ৰত এখন নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ভৱনত কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হিচাপে পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব।

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

ৰাষ্ট্ৰপতিক সাক্ষাতৰ পাছত ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰীমোদীয়ে কয় যে, এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰীমোদীয়ে কয় যে, ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে আৰু তেওঁ ৰাষ্ট্ৰপতিক দেওবাৰে শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰিলে কোনো অসুবিধা নাই বুলি অৱগত কৰিছে। ৰাষ্ট্ৰপতি ভৱনে এতিয়া শপতগ্ৰহণ অনুষ্ঠানৰ সবিশেষ যুগুত কৰিব আৰু তেতিয়ালৈকে মন্ত্ৰী পৰিষদৰ সদস্যসকলৰ নাম ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা হ'ব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

তেওঁ কয় যে, জনসাধাৰণে এন ডি এ চৰকাৰক আন এটা সুযোগ দিছে আৰু ইয়াৰ সদ্ব্যৱহাৰ কৰি তেওঁৰ চৰকাৰে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব। শ্ৰীমোদীয়ে তেওঁৰ চৰকাৰে ৰাষ্ট্ৰৰ দ্ৰুত বিকাশৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি ভৱনৰ তৰফৰ পৰা সামাজিক মাধ্যমত কোৱা হৈছে যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সংবিধানৰ ৭৫ (১) অনুচ্ছেদৰ অধীনৰ ক্ষমতা প্ৰয়োগ কৰি শ্ৰীমোদীক ভাৰতৰ প্ৰধানমন্ত্ৰী পদত নিযুক্তি দিছে।

ইয়াৰ পূৰ্বে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতিক্ৰমে নৰেন্দ্ৰ মোদীক নেতা বাছনি কৰে। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰীমোদীক এন ডি এৰ নেতা বাছনি কৰাৰ বাবে এটা প্ৰস্তাৱ উত্থাপন কৰে। বিজেপিৰ জ্যেষ্ঠ নেতাসকলৰ লগতে মিত্ৰজোঁটৰ সকলো সহযোগী দলৰ নেতাই এই প্ৰস্তাৱ সমৰ্থন কৰে। শ্ৰীমোদীক লোকসভাত বিজেপিৰ নেতা আৰু বিজেপিৰ সংসদীয় দলৰ নেতা হিচাপেও বাছনি কৰা হয়।

শ্ৰীমোদীৰ নাম প্ৰস্তাৱ কৰি ৰাজনাথ সিঙে কয় যে, এই পদৰ বাবে শ্ৰী মোদী আটাইতকৈ উপযুক্ত ব্যক্তি। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, এয়া অকল এন ডি এ সংসদীয় দলৰ বৈঠকত উপস্থিত থকা নেতাসকলৰেই নহয়, বৰং দেশৰ ১৪০ কোটি জনসাধাৰণৰ আকাংক্ষা। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে দেশক সমৃদ্ধিশালী আৰু মহা শক্তিৰূপে গঢ়ি তোলাৰ বাবে সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি আহিছে। তেলুগু দেশম পাৰ্টীৰ নেতা চন্দ্ৰবাবু নাইডুৱে কয় যে, এন ডি এ চৰকাৰে নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত বিগত ১০ বছৰত ভালেমান গুৰুত্বপূৰ্ণ কাম কৰিছে। এই সময়ছোৱাত দেশ চমকপদ প্ৰগতি আৰু পৰিৱৰ্তনৰ দিশ অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী হিচাপে মোদীক সমৰ্থন আগবঢ়াই বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে কয় যে, এন ডি এত সকলো ঐক্যবদ্ধ হৈ আছে আৰু সকলোৱে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাম কৰি যাব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, এন ডি এ ক্ষমতাৰ বাবে একগোট হোৱা ৰাজনৈতিক দলৰ এটা গোট নহয়, বৰং ৰাষ্ট্ৰ প্ৰথম নীতিৰে কাম কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ এটা মিত্ৰজোঁট। দেশৰ ইতিহাসত এন ডি এ আটাইতকৈ সফল মিত্ৰজোঁট বুলি অভিহিত কৰি শ্ৰীমোদীয়ে কয় যে, সকলো সিদ্ধান্তৰ ক্ষেত্ৰত সহমতত উপনীত হোৱাই লক্ষ্য হোৱা উচিত। তেওঁ কয় যে, দেশৰ জনসাধাৰণে ২২ খন ৰাজ্যত চৰকাৰ গঠনৰ জনাদেশ প্ৰদান কৰি এন ডি এক তেওঁলোকক সেৱা কৰাৰ সুযোগ দিছে। এন ডি এ চৰকাৰে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নয়ন, সুশাসন আৰু উন্নয়নত গুৰুত্ব আৰোপ কৰিব বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

বৈঠকত বিজেপিৰ সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অনুৰাগ সিং ঠাকুৰ, এল জে পি আৰৰ মুৰব্বী চিৰাগ পাছোৱান, এন চি পিৰ নেতা অজিত পাৱাৰ, আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধৰী, জন সেনা পাৰ্টীৰ মুৰব্বী পৱন কল্যাণ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ শাৱন্ত, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিং আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল প্ৰমুখ্যে ভালেমান নেতা উপস্থিত থাকে।

0000000

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা নতুন দিল্লী অভিমুখে ৰাওনা হৈছে। তেওঁ তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব ল'বলগীয়া নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। নৰেন্দ্ৰ মোদীয়ে কাইলৈ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। শ্ৰীমতী হাছিনাই কাইলৈ সন্ধিয়া ৰাষ্ট্ৰপতিভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আয়োজন কৰা ভোজমেলতো অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে তেওঁৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিবলৈ বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীক টেলিফোন যোগে আমন্ত্ৰণ জনাইছিল। শ্বেইখ হাছিনাই প্ৰধানমন্ত্ৰী নিৰ্বাচিত হোৱাৰ পাছতে শ্ৰী মোদীক অভিনন্দন জনাইছিল।

০০০০০০০

টেছলা আৰু স্পেছ এক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ইল'ন মাস্কে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী নিৰ্বাচিত হোৱা নৰেন্দ্ৰ মোদীৰ অভিনন্দন জনাইছে। এক্স হেণ্ডেলত শ্ৰী মাস্কে কয় যে, তেওঁৰ কোম্পানীয়ে ভাৰতত বিনিয়োগৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাইছে। তেওঁ বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক নিৰ্বাচনত বিজয় সাব্যস্ত কৰাৰ বাবে নৰেন্দ্ৰ মোদীক শুভেচ্ছা জনায়।

০০০০০০০

চি বি আয়ে প্ৰাক্তন ৰে'ল মন্ত্ৰী লালু প্ৰসাদ যাদৱ আৰু তেওঁৰ পৰিয়ালৰ লোকসকল জড়িত থকা বহু চৰ্চিত ভূমিৰ বিনিময়ত চাকৰি কেলেংকাৰীৰ চূড়ান্ত অভিযোগনামা আদালতত দাখিল কৰিছে। বিশেষ আদালতে এই অভিযোগনামা সন্দৰ্ভত ৬ জুলাইত বিবেচনা কৰিব। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ৪ অক্টোবৰত আদালতে প্ৰাক্তন ৰে'ল মন্ত্ৰী লালু প্ৰসাদ যাদৱ, তেওঁৰ পত্নী ৰাবৰি দেৱী, তেওঁৰ পুত্ৰ তথা বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তেজস্বী যাদৱকে ধৰি অন্যান্যসকলক জামিন মঞ্জুৰ কৰিছিল।

আন এটা গোচৰত চি বি আয়ে ভাৰত ৰাষ্ট্ৰ সমিতিৰ নেতা কে কবিতাৰ বিৰুদ্ধে দিল্লী আবকাৰী নীতি গোচৰত এখন সম্পূৰক অভিযোগনামাও দাখিল কৰে। বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই ৬ জুলাইত এই গোচৰৰ শুনানিৰ দিন ধাৰ্য কৰে। আদালতে কে কবিতাৰ ন্যায়িক জিম্মাৰ ম্যাদ ২১ জুন পৰ্যন্ত বৃদ্ধি কৰিছে।

০০০০০০০

নতুন দিল্লীত কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক চলি আছে। এই বৈঠকত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেতা ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাকে ধৰি দলীয় নেতাসকল উপস্থিত আছে। শেহতীয়া লোকসভা নিৰ্বাচনত দলৰ প্ৰদৰ্শনক লৈ আলোচনা কৰাৰ বাবে এই বৈঠক আহ্বান কৰা হৈছে। ৱাৰ্কিং কমিটিৰ বৈঠকৰ পাছত আজি সন্ধিয়া কংগ্ৰেছ সংসদীয় দলৰ বৈঠক অনুষ্ঠিত হ'ব। দলৰ নৱনিৰ্বাচিত লোকসভাৰ সাংসদসকলৰ লগতে ৰাজ্যসভাৰ সাংসদসকলো এই বৈঠকত উপস্থিত থাকিব।

০০০০০০০

ওড়িশাত সোমবাৰে বিজেপিৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ কৰিব আৰু ইয়াৰ বাবে প্ৰস্তুতি চলি আছে। এই শপতগ্ৰহণ অনুষ্ঠান ভূৱনেশ্বৰৰ জনতা ময়দানত অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে সেইদিনা পুৱা বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতি চলি আছে যদিও বিজেপিয়ে এই পৰ্যন্ত মুখ্যমন্ত্ৰী কোন হ'ব সেয়া চূড়ান্ত কৰা নাই। জানিব পৰা মতে দিল্লীত দলৰ সংসদীয় পৰিষদে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী নিৰ্বাচন কৰিব।

বিজেপিৰ ৭৮ গৰাকী বিধায়কেৰে গঠিত বিধায়িনী দলৰ বৈঠকত নেতা নিৰ্বাচন কৰা হ'ব আৰু এই বৈঠকত দলৰ দুগৰাকী কেন্দ্ৰীয় পৰ্যৱেক্ষক উপস্থিত থাকিব। মুখ্যমন্ত্ৰীপদৰ বাবে সম্ভাব্য কেইবাগৰাৰীও প্ৰাৰ্থীৰ নাম উচ্চাৰিত হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে ছুবাৰৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জুৱেল অ'ৰাম, জ্যেষ্ঠ নেতা তথা সাংসদ ধৰ্মেন্দ্ৰ প্ৰধান, নৱনিৰ্বাচিত বিধায়ক ক্ৰমে সুৰেশ পূজাৰী, মোহন চৰণ মাঝি আৰু জম্মু-কাশ্মীৰৰ প্ৰাক্তন উপ-ৰাজ্যপাল তথা **কেগ** গিৰীশ চন্দ্ৰ মুৰ্মু। ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰীগৰাকী ভূমিপুত্ৰ হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। বিজেপিয়ে ওড়িশাৰ বিধানসভা নিৰ্বাচনত মুঠ ১৪৭খন আসনৰ ভিতৰত ৭৮ খনত বিজয় সাব্যস্ত কৰে। আনহাতে বি জে ডিয়ে ৫১ খন, কংগ্ৰেছে ১৪ খন আৰু অন্যান্য দলে ৪খন আসন লাভ কৰে।

0000000

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ে যোগ সাধনাৰ ইতিবাচক দিশ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে কেতবোৰ বিশেষ কাৰ্যসূচীৰ প্ৰস্তুতি চলাইছে। কালি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ সচিব সঞ্জয় জাজু আৰু আয়ুস বৈদ্য ৰাজেশ কোটেশাই এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা কৰ্মসূচীসমূহ পৰ্যৱেশন কৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী আৰু দূৰদৰ্শনে যোগ বিশেষজ্ঞৰ সাক্ষাৎকাৰ আৰু কেতবোৰ প্ৰাতঃ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰিব।

0000000

কেৰেলাত আজি নিচেই পুৱা সংঘটিত এটা শোকাবহ ঘটনাত দুগৰাকী কন্যাসহ এগৰাকী মাতৃৰ অগ্নিদগ্ধ হৈ মৃত্যু হয়। মৃত কন্যা দুগৰাকীৰ বয়স ৮ বছৰ আৰু ৫ বছৰ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ৰাজ্যখনৰ এৰ্নাকুলাম জিলাৰ আংগামেলিত বসবাস কৰা মহিলাগৰাকীৰ ঘৰটোত আকস্মিকভাৱে জুই লগাৰ ফলতে দুৰ্ভাগ্যজনকভাৱে তিনিওৰে মৃত্যু হয়। আৰক্ষীৰ মতে শ্বৰ্টচাৰ্কিটৰ ফলতে এই অগ্নিকাণ্ড সংঘটিত হয়।

0000000

**ঃ সমাপ্ত ঃ**